# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-08-2025
**Time :** 1205 hrs

## *Assamese Midday Bulletin*

00000

ৰাজ্যত বৰ্তমানলৈকে ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে উৰিয়ামঘাট অঞ্চলত চলোৱা উচ্ছেদ অভিযানত ১০ হাজাৰৰো অধিক বিঘা ভূমি দখলমুক্ত কৰা হৈছে। পূৰ্বতে ১ লাখ ২৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। ড° শৰ্মাই লগতে উৰিয়ামঘাটত চলোৱা উচ্ছেদ অভিযানত সহযোগিতা কৰাৰ বাবে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ক ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীৰ বনাঞ্চল সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে মহানগৰখনৰ বনাঞ্চলত বাস কৰা অখিলঞ্জীয়া লোকৰ সংখ্যা ঠিৰাং কৰাৰ বাবে জৰীপ চলাব। মহানগৰখনৰ জনগাঁথনি সলনি কৰা লোকসকলক জৰীপত সামৰি লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে চৰকাৰে থলুৱা আৰু খিলঞ্জীয়া লোকসকলক উচ্ছেদ কৰাৰ কথা চিন্তা কৰা নাই। তেওঁ কয়, যে অসমত কমেও তিনিটা প্ৰজন্ম বাস কৰি থকা লোকসকলৰ চিন্তাৰ কোনো কাৰণ নাই। বনভূমি দখল কৰি থকা অখিলঞ্জীয়া লোকক উচ্ছেদৰ বাবে যিকোনো সময়তে অভিযান আৰম্ভ কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সকিয়াই দিয়ে। ড° শৰ্মাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে খিলঞ্জীয়া লোকসকলে ভূমি পট্টা লাভ কৰিব বুলি ঘোষণা কৰে।

০০০০০

ৰাজ্যত জুনত চাহৰ উৎপাদন যোৱা বছৰৰ তুলনাত ১২ শতাংশ হ্ৰাস পাইছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে এনে হোৱা বুলি কোৱা হৈছে। ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ সচিব মাধুৰ্য বৰুৱাই কালি কয়, যে জুলাইত ৰাজ্যত বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ ৩০ৰ পৰা ৪০ শতাংশ হ্ৰাস পাইছে আৰু ইয়াৰ ফলত অনাগত সময়ত চাহৰ উৎপাদন আৰু হ্ৰাস পোৱাৰ সম্ভাৱনাই দেখা দিছে। ভাৰতীয় চাহ পৰিষদৰ অধ্যক্ষ সৰ্বেশ চহৰীয়াই চাহ উদ্যোগৰ বাবে পৰিস্থিতি উদ্বেগজনক হৈ পৰা বুলি প্ৰকাশ কৰিছে। অধিক চাহ উৎপাদন হোৱা উজনি অসমৰ পানীতোলা, টেঙাখাত আৰু ডুমডুমাৰ দৰে এলেকাসমূহত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত চাহৰ কুমলীয়া পাত ওলোৱাত বাধাৰ সৃষ্টি হৈছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে দিন আৰু ৰাতি তাপমাত্ৰাৰ তাৰতম্যৰ বাবে এনে হৈছে।

০০০০০

দৰং জিলাৰ জলজলি গৰিয়াপাৰ গাঁওনিবাসী কৃষি উদ্যোগী দিপ্তী চহৰীয়াসহ দেশৰ মুঠ ৮ গৰাকী বিশিষ্ট ব্যক্তিয়ে স্বাধীনতা দিৱসৰ সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অভ্যৰ্থনা অনুষ্ঠানলৈ আমন্ত্ৰণ লাভ কৰিছে। কালি মঙলদৈ ডাক বিভাগৰ বিষয়া কৰ্মচাৰীৰ এটা প্ৰতিনিধি দলে দিপ্তী চহৰীয়াক নিজা বাসভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ নিমন্ত্ৰণী পত্ৰখন প্ৰদান কৰে। চিৰ সেউজী মহিলা কৃষক উৎপাদক কোম্পানীৰ পৰিচালন সঞ্চালক দিপ্তী চহৰীয়াই এই আমন্ত্ৰণৰ বাবে আনন্দ প্ৰকাশ কৰি কৃষি বিভাগক ইয়াৰ বাবে ধন্যবাদ জনায়।

00000

মণিপুৰত জাতিগত সংঘৰ্ষৰ সময়ত মহিলা আৰু শিশুৰ অপহৰণ আৰু হত্যাৰ সৈতে জড়িত থকাৰ অভিযোগত থাংলিনলাল মাৰ নামৰ এজন যুৱকক কালি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এয়ে গ্ৰেপ্তাৰ কৰে। দিলকুছ জিপিৰ মইনাথল পুঞ্জীৰ ধৃত যুৱকজনক কাছাৰ জিলাৰ লক্ষীপুৰ ফুলেৰতল ফেৰীঘাটৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। যুৱকজনৰ বিৰুদ্ধে যোৱা বছৰ জিৰিবামৰ জাকুৰাদহৰ ঘাটৰ খাছিয়া পুঞ্জীত ছগৰাকী মহিলা আৰু তেওঁলোকৰ সন্তানক অপহৰণ কৰি হত্যা কৰাৰ ক্ষেত্ৰত দুষ্কৃতিকাৰীক সহায় কৰা বুলি এন আই এয়ে গোচৰ ৰুজু কৰিছিল।

00000

নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কালি জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত পথ সুৰক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া বিভিন্ন পদক্ষেপ আৰু জিলাখনৰ পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে সম্ভাব্য ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে পথ সুৰক্ষা সম্পৰ্কীয় বৰ্তমান পৰিস্থিতিৰ তথ্য উপস্থাপন কৰাৰ লগতে ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত মতামত আগবঢ়ায়। জিলা আয়ুক্তগৰাকীয়ে বৈঠকত জিলাখনৰ পথসমূহ সুৰক্ষিত আৰু দুৰ্ঘটনামুক্ত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

00000

যোগ বিদ্যা গুৰুকুল নাছিকৰ উদ্যোগত আৰু ভাৰতৰ চৰকাৰৰ আয়ুষ বিভাগৰ সহযোগত উত্তৰ গুৱাহাটীৰ যোগ নিলয়ম কেন্দ্ৰত অনুষ্ঠিত এমহীয়া যোগ প্ৰশিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নৰেন্দ্ৰ এছ চৌধুৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। যোৱা ৩ জুলাইৰ পৰা আয়োজিত এই কাৰ্যসূচীত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

00000

হোজাই জিলাৰ উদালিত আৰক্ষীয়ে নিয়মীয়া তালাচীৰ সময়ত যোৱা নিশা তিনিগৰাকী ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আটকাধীন লোককেইজনৰ মাজত এগৰাকী মহিলাও আছে। লংকা-লামডিং সংযোগী পথত এখন চাৰিচকীয়া বাহনৰ পৰা আৰক্ষীয়ে এই তিনিওগৰাকী লোকক আটক কৰাৰ লগতে মাদক দ্ৰব্যখিনিও জব্দ কৰিছে। ২৪টা চাবোনৰ বাকচত ভৰাই অনা এই মাদক দ্ৰব্যসমূহ কৰিমগঞ্জৰ পৰা সৰবৰাহ কৰিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমান আটকাধীন লোককেইজনক আৰক্ষীয়ে জেৰা চলাই আছে।

00000

কামৰূপ জিলাৰ আমিনগাঁৱত জিলা ন্যায়িক আদালতৰ নৱনিৰ্মিত ভৱনটো আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুভ উদ্বোধন কৰিব। এই উদ্বোধনী অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থাকিব।

00000

**সমাপ্ত**